# অসম আদিত্য

১০ আহাৰ, ১৯৪৬ শক ■ মঙলবাৰ, ২৫ জুন, ২০২৪ ■ Asom Aditya, Dibrugarh, Tuesday, June 25, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ

ধৰে ডিএপিৰ সম্পাদক অনিল দুৱৰাই আৰু সাংস্কৃতিক অনুষ্ঠানটোৰ আঁত ধৰে ড০ উত্তৰা দুৱৰাই। আনহাতে কলাগুৰুৰ গীতৰ আধাৰত মুকুল আহমেদৰ পৰিচালনাত নৃত্য পৰিৱেশন কৰে ৰিধীমা ভূএগ্ৰা আৰু নয়নমণি গগৈয়ে।

## টেঙাখাতত কলাগুৰুক স্মৰণ নিৰ্মলপ্ৰভাৰ ওপজা দিন পালন

**বিশেষ প্ৰতিনিধি, টেঙাখাত, ২৪ জুন ঃ** ডিব্ৰুগড় জিলাৰ টেঙাখাত শাখাৰ লুইতপৰীয়া সাহিত্য সন্মিলনৰ উদ্যোগত শিল্পী সৈনিক বিষ্ণুৰাভাৰ স্মৃতি দিৱসৰ লগতে ড০ নিৰ্মল প্ৰভা বৰদলৈৰ ওপজা দিন 'গীত আৰু কবিতা দিন' টেঙাখাত উদয়ন সংগীত বিদ্যালয়ত যোৱা ২০ জুনত পালন কৰে। শাখাৰ সভাপতি সুৰজ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক ফুলনী ফুকনে। মাল্যাৰ্পণ কৰে লুইতপৰীয়া সাহিত্য সংস্কৃতি সন্মিলনৰ কেন্দ্ৰীয় সম্পাদিকা হিৰণ্য চেতিয়া, দীপা চুতীয়া, শাখাৰ সম্পাদিকা কল্পনা বৰুৱাই। গীত আৰু কবিতা উদ্বোধন কৰে সংগীত বিদ্যালয়ৰ স্বত্বাধিকাৰ মাখন ফুকনে। অনুষ্ঠানত অঞ্জলি চমুৱা, চিত্ৰলেখা বড়া বেগম, মন্দিৰা ফুকন লগতে শাখাৰ সদস্যা গায়িকা নীহাৰিকা গগৈ, লুনা গগৈ, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-কবিতা পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰে। বিশিষ্ট ব্যক্তিসকলে বিষ্ণুৰাভা আৰু নিৰ্মল প্ৰভা বৰদলৈ বিষয়ে বক্তব্য আগবঢ়ায়।

## কানৈ মহাবিদ্যালয়ৰ সন্তোষজনক ফলাফল

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ জুন ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সদ্যঘোষিত স্নাতক চূড়ান্ত পৰীক্ষাত হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সন্তোষজনক ফলাফল প্ৰদৰ্শন কৰিছে। যোৱা ১৪ জুনৰ দিনা ঘোষিত বিজ্ঞান শাখাৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত মহাবিদ্যালয়ৰ ৭০.৮ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। উত্তীৰ্ণসকলৰ ভিতৰত সৰ্বমুঠ ৫ জন শিক্ষাৰ্থীয়ে অ' গ্ৰেড, ২৪ জনে এ প্লাছ গ্ৰেড, ৫০ জনে এ গ্ৰেড আৰু ২৫ জনে বি প্লাছ গ্ৰেড লাভ কৰে। আজি ঘোষিত কলা শাখাৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলতো মহাবিদ্যালয়খনৰ ৭০.৮ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। উত্তীৰ্ণসকলৰ ভিতৰত সৰ্বমুঠ ৭ জনে এ প্লাছ গ্ৰেড, ৫৯ জনে এ গ্ৰেড, ১৭৮ জনে বি প্লাছ গ্ৰেড আৰু ৭৩ জনে বি গ্ৰেড লাভ কৰে। উল্লেখ্য যে বিজ্ঞান শাখাৰ ৮৭ জন আৰু কলা শাখাৰ ১৭৭ জন শিক্ষাৰ্থীৰ ফলাফল এতিয়াও বিভিন্ন কাৰণত প্ৰকাশ হ'বলৈ বাকী। এইখিনি শিক্ষাৰ্থীৰ মাজৰপৰাও যথেষ্ট ভাল ফলাফল হ'ব বুলি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

## বৰবৰুৱাত দুটা আদৰ্শ... কেন্দ্ৰৰ উদ্বোধন বিধায়ক...

**ডিব্ৰুগড়, ২৪ জুন ঃ** ডিব্ৰুগড়ৰ বৰবৰুৱা সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত দুটাকৈ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ ক্ৰমে সন্দিকৈ চুক আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু জামিৰা চাহ বাগিচা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আনুষ্ঠানিকভাৱে আজি শুভ-উদ্বোধন কৰে ডিব্ৰুগড় বিধান সভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে। এই উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া সুপ্ৰিয়া বাউলাৰী, বৰবৰুৱা শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়া সুদৰ্শন শৰাই, বৰবৰুৱা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া বিশ্বজিৎ দে', বৰবৰুৱা শিশু উন্নয়ন প্ৰকল্পৰ মুখ্য সেবিকাসকল, অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মকৰ্তা



আৰু সহায়িকা প্ৰমুখ্যে স্থানীয় অন্য ব্যক্তিসকল তথা হিতাধিকাৰীসকল... অংগনৱাড়ী কেন্দ্ৰকেই টাই... অভিযানৰ লগত সংগতি ৰাখি শি...